# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 11-09-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত ২ কোটি পৰিয়ালক গৃহ প্ৰদানৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণ আঁচনিখন আৰু ৫ বছৰৰ বাবে বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৫ ছেপ্তেম্বৰত ঝাৰখণ্ডৰ জামছেদপুৰত দ্বিতীয় পৰ্যায়ৰ পি এম এ ৱাই জি আঁচনি মুকলি কৰিব। দেশৰ ১০ লাখ হিতাধিকাৰীক প্ৰথম কিস্তিৰ ধন প্ৰদানৰ লগতে ২৬ লাখ সম্পূৰ্ণ হোৱা পি এম এ ৱাই জিৰ গৃহ প্ৰৱেশ অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশ ল'ব। এই আঁচনিৰ জৰিয়তে অসমত ১ লাখ ৭১ হাজাৰ ৫৯৩ টা নতুন গৃহ আৱণ্টন কৰা হৈছে। আবণ্টিত গৃহৰ বাবে ৰাজ্যৰ হিতাধিকাৰীসকলে ১৫ ছেপ্তেম্বৰত প্ৰথম কিস্তিৰ ধন লাভ কৰিব। দেশৰ অন্য প্ৰান্তৰ লগতে ৰাজ্যতো ১ লাখৰো অধিক সম্পূৰ্ণ হোৱা পি এম এ ৱাই জি ঘৰৰ বাবে গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। উল্লেখযোগ্য যে অসমত যোৱা ৩ বছৰৰ ভিতৰত ১৫ লাখ ১৩ হাজাৰৰো অধিক গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। পি এম এ ৱাই জিৰ বাবে হিতাধিকাৰীসকলক স্থায়ী অপেক্ষা তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে নতুন সমীক্ষা আৰম্ভ কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে নতুন আবাস প্লাছ্ জৰীপৰো শুভাৰম্ভ কৰিব।

০০০০০

নিযুক্তি পৰীক্ষাত অসৎ উপায় প্ৰতিৰোধ তথা স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়া নিশ্চিতকৰণৰ অৰ্থে অসম চৰকাৰে অসম লোক পৰীক্ষা (নিযুক্তি প্ৰক্ৰিয়াত অসৎ উপায় প্ৰতিৰোধী ব্যৱস্থা) আইন ২০২৪ গ্ৰহণ কৰিছে। এই আইনৰ উদ্দেশ্য হৈছে নিয়োগৰ বাবে অনুষ্ঠিত ৰাজ্য চৰকাৰ, স্বায়ত্ত শাসিত সংস্থা অথবা কৰ্তৃপক্ষ, পৰিষদ অথবা নিগমৰ অধীনৰ পৰীক্ষাত স্বচ্ছতা নিশ্চিতকৰণ, পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত ফাদিল কৰা, নিজৰ লগত ৰখা, বিক্ৰী কৰা, সমাধান কৰা, প্ৰশ্নকাকত খোলা আৰু পৰীক্ষাৰ সময়ত সহায় কৰা আদিৰ দৰে অসৎ উপায় নিষিদ্ধকৰণ, পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ ক্ষেত্ৰত স্বচ্ছতা তথা নিৰপেক্ষতাৰ প্ৰতিশ্ৰুতিৰ লগতে প্ৰশ্নকাকত সম্পৰ্কীয় গোপন তথ্যৰ প্ৰচাৰ প্ৰতিৰোধ কৰা। এই আইন অমান্য কৰা পৰীক্ষাৰ্থীসকলৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৰীক্ষাত নকল কাৰ্যত লিপ্ত পৰিক্ষাৰ্থীসকলক তিনি বছৰ পৰ্যন্ত কাৰাদণ্ড বিহাৰ লগতে ন্যূনতম ১ লাখ টকা জৰিমনা বিহা হ'ব। জৰিমণা আদায় দিব নোৱাৰিলে ৯ মাহ কাৰাদণ্ড বিহা হ'ব। কুচক্ৰ আৰু নকল কাৰ্যত লিপ্ত পৰীক্ষাৰ্থীসকলক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। নকল কাৰ্যত লিপ্ত বুলি প্ৰমাণিত হ'লে ভৱিষ্যতে পৰীক্ষাৰ্থীয়ে দুবছৰৰ বাবে কোনো নিযুক্তি পৰীক্ষা দিব নোৱাৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, কুচক্ৰ আৰু নকল কাৰ্যত জড়িত পৰীক্ষকক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহাৰ লগতে পৰীক্ষণ কৰ্তৃপক্ষৰ সৈতে কুচক্ৰত জড়িত থকাসকলৰ অসৎ পন্থাৰে আৰ্জিত সা-সম্পত্তি বাজেয়াপ্তকৰণ কৰা হ'ব। ঠিক সেইদৰে পৰীক্ষাৰ ব্যৱস্থাপক যদি দোষী সাব্যস্ত হয় তেতিয়া হ'লে বিশেষ আদালতে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি পৰীক্ষা বিষয়ক সকলো খৰচ সংশ্লিষ্ট সন্থাটোৱে বহন কৰাৰ লগতে ইয়াক নিষিদ্ধ ঘোষণা কৰা হ'ব।

ৰাজ্যিক প্ৰত্যক্ষ নিযুক্তি আয়োগৰ দ্বাৰা অহা ১৫ ছেপ্তেম্বৰত হ'বলগীয়া তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত খানাপাৰাত অনুষ্ঠিত সংবাদমেলত আয়োগৰ অধ্যক্ষ অজয় তিৱাৰীয়ে কয় যে অহা ১৫ ছেপ্তেম্বৰত হ'বলগীয়া এই পৰীক্ষা অসমৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ নিযুক্তি পৰীক্ষা। এই পৰীক্ষাত ২৮ খন জিলাৰ দুহেজাৰ ৩০৫ টা কেন্দ্ৰত মুঠ ১১ লাখ ২৩ হাজাৰ ২০৪ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষা কেন্দ্ৰসমূহৰ ভিতৰত ৪২৯ টা কেন্দ্ৰ স্পৰ্শকাতৰ। প্ৰশ্নকাকতসমূহ ৰখাৰ বাবে ষ্ট্ৰংৰূমৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। পৰীক্ষা কেন্দ্ৰসমূহৰ লগতে ষ্ট্ৰং ৰূমত চি চি টি ভি কেমেৰা, আৰক্ষী পহৰাৰ ব্যৱস্থা কৰা হৈছে। চি চি টি ভি ব্যৱস্থা নথকা কেন্দ্ৰত ভিডিঅ'গ্ৰাফী কৰা হ'ব। ইয়াৰ লগতে পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধ্যৰ ভিতৰত অন্য লোকৰ প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলৰ যাতায়াতত যাতে কোনোধৰণৰ অসুবিধা নহয় তাৰ বাবে বাহনৰ সুচল ব্যৱস্থা কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষই প্ৰাৰ্থীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ১২ খন অতিৰিক্ত ৰে'লৰ ব্যৱস্থা কৰিব।

ooooo

যোৰহাট জিলাৰ বিভিন্ন স্থানত অসম চৰকাৰৰ এইডছ্ কন্ট্ৰল ছ'চাইটি আৰু যোৰহাট জিলা প্ৰশাসনৰ হৈ জিলা এইডছ্ নিয়ন্ত্ৰণ বিভাগৰ সৌজন্যত আজি এইডছ্ আৰু মাদক দ্ৰব্য বিৰোধী পথ সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ বিশেষ পৰামৰ্শদাতাই এইডছ্ ৰোগ সংক্ৰমণ, প্ৰতিৰোধ আৰু এই ৰোগৰ ভয়াৱহতাৰ বিষয়ে বাহনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। সজাগতা সভাৰ লগত সংগতি ৰাখি বাহনা অঞ্চলৰ বুধবৰীয়া সপ্তাহিক বজাৰ আৰু নিমাতী কমলাবাৰী ঘাটতো এইডছ্ আৰু মাদক দ্ৰব্যৰ অপকাৰিতা সন্দৰ্ভত দৃশ্য-শ্ৰব্য মাধ্যমেৰে উপস্থিত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

ooooo

সমাপ্ত